**(ক) শৈৱধৰ্ম ঃ** প্ৰাচীন কামৰূপত প্ৰায় আটাইবোৰ জনজাতিৰ মাজতেই থলুৱা ৰূপত শিৱৰ উপাসনা কৰা হৈছিল। শিৱ প্ৰাক-বৈদিক দেৱতা আৰু খুব সম্ভৱ কিৰাতসকলে দ্ৰাবিড়সকলৰ পৰাই শিৱপূজাৰ আদৰ্শ গ্ৰহণ কৰে। কিয়নো প্ৰাক-বৈদিক সিন্ধু উপত্যকাৰ সংস্কৃতিতে বৃষভ-বাহন শিৱ আৰু সৰ্প উপাসনাৰ আভাস পোৱা যায়।

বৈদিক সাহিত্যত উল্লেখ কৰা ৰুদ্ৰ দেৱতাই পৰৱৰ্তী কালত শিৱ দেৱতাৰূপে পৰিচিত হোৱা বুলি ধাৰণা কৰিব পাৰি। ঋকবেদত শিৱ শব্দটো বিশেষণৰূপত ব্যৱহৃত হোৱা দেখা যায়।[১] শ্বেতাশ্বেতৰ উপনিষদৰ এঠাইত ৰুদ্ৰক 'মহেশ্বৰ' বোলা হৈছে। একেখন উপনিষদত ৰুদ্ৰক বুজাবৰ কাৰণে হৰ, মহাদেৱ, ঈশ, ঈশান, মহেশ্বৰ, ভাগৱত ইত্যাদি ভালেমান সমাৰ্থক শব্দৰ প্ৰয়োগ কৰাটো লক্ষ্য কৰা যায়। শ্বেতাশ্বেতৰ উপনিষদত ঈশানকে সকলো যোনিৰ গৰাকী বুলিছে।[২] পৰমব্ৰহ্ম পৰমেশ্বৰৰ নিজা শক্তিৰ পৰাই স্পন্দনমাত্ৰ অপৰাশক্তি সৃষ্টি হৈছে আৰু এই শক্তিৰ যোগেদিয়েই ব্ৰহ্মাই জগত সৃষ্টি কৰিছে। 'মুণ্ডক উপনিষদ'ত সেয়েহে ব্ৰহ্মাকে যোনি বোলা হৈছে। ব্ৰহ্ম সাক্ষাতকাৰী সাধকে যেতিয়া ব্ৰহ্মযোনি দৰ্শন কৰে তেতিয়া তেওঁ পৰম সাম্য লাভ কৰে।[৩]

প্ৰাগাৰ্য জনগোষ্ঠীসমূহৰ মূল সংগ্ৰাম আছিল সৃষ্টিকেন্দ্ৰিক। এনে সংগ্ৰামৰ সৈতে উৰ্বৰতাৰ প্ৰশ্নটো সাঙোৰ খাই আছিল। সমাজবিজ্ঞানীসকলে ধাৰণা কৰে যে প্ৰাগাৰ্য লোকসকলে পুং আৰু স্ত্ৰী শক্তিক যথাক্ৰমে পিতৃ আৰু মাতৃশক্তি ৰূপত অতি প্ৰাচীন কালৰ পৰাই জননেন্দ্ৰিয়ৰ প্ৰতীক ৰূপত উপাসনা কৰিছিল। প্ৰাগাৰ্য শিৱ যোগীৰ লগতে জীৱ-জন্তুৰো অধিকাৰী আছিল। যজুৰ্বেদ[৪], অথৰ্ববেদ[৫], শতপথ ব্ৰাহ্মণ[৬], আচলায়ন গৃহ্যসূত্ৰ[৭], আদি পশুপতি ৰুদ্ৰৰে এটা ৰূপ। মহেঞ্জোদাৰো-হৰপ্পাৰ সভ্যতাৰ সময়ৰে পৰাই বৃষভ পূজাৰ আভাস পোৱা যায়। ঋকবেদত[৮],

শিৱক বৃষভেৰে সৈতে তুলনা কৰা হৈছে। গতিকে প্ৰাগাৰ্য বৃষ দেৱতা আৰু ঋকবেদৰ বৃষ দেৱতাৰ সংমিশ্ৰণত শিৱ দেৱতাৰ সৃষ্টি হোৱা বুলি অনুমান কৰিব পাৰি। বৈদিক যুগৰ পৰৱৰ্তী সাহিত্যতো শিৱ উপাসনাৰ সৈতে সৃষ্টিৰ কথাই জড়িত হৈ থকা দেখা যায়। পুৰাণ আৰু মহাভাৰতীয় সাহিত্যতো ভক্তসকলে স্বামী লাভ, সম্পদ লাভ আদি উদ্দেশ্য লৈয়েই শিৱ আৰু শক্তিক উপাসনা কৰিছিল।

কৃষি দেৱতাসকল প্ৰায়েই জননশক্তিৰ দেৱতা। মহেঞ্জোদাৰো সভ্যতাৰ প্ৰটʼশিৱও কৃষিদেৱতা, সৃষ্টিৰ দেৱতা— যাৰ আভাস মূৰ্তিটোৰ শিৰৰ কীৰিটিত থকা বৃক্ষৰ মোটিফৰ পৰা অনুমতি হয়। মহাভাৰতত[৯] লিংগ উপাসক উপমন্যুয়ে অন্ন আৰু গাখীৰৰ প্ৰাচুৰ্যৰ বাবে শিৱৰ ওচৰত প্ৰাৰ্থনা কৰিছে। কৃষক ৰাইজৰ বাবে শিৱ মহাদেৱ।[১০] শিৱ পুৰণাত[১১] নাদ-বিন্দুৰ সম্মিলন আৰু তাৰ বিস্ফোৰণ হৈছে শিৱৰ প্ৰতীক। ঋকবেদত[১২] দুডাল জুইশলাৰ কাঠীৰ ঘৰ্ষণকো সৃষ্টিৰ প্ৰতীক যোনি হিচাপে দেখুওৱা হৈছে। পৰৱৰ্তী বেদ আৰু ব্ৰাহ্মণাদিত এই শলা দুডালক যথাক্ৰমে পুৰুৰৱা-উৰ্বশীৰ সৈতে তুলনা কৰিছে।[১৩]

লিংগ পুৰাণত শিৱলিংগক প্ৰশংসা কৰা হৈছে আৰু ই সমগ্ৰ বিশ্বক ধাৰণ কৰা বুলি উল্লেখ কৰিছে। লিংগক সৃষ্টিৰ প্ৰতীক হিচাপে ব্যৱহাৰ কৰা হৈছে। ই অদৃশ্য আৰু স্ব-প্ৰকাশ জ্যোতি। শংকৰাচাৰ্যই ‘সৌন্দৰ্যলহৰী’ত উল্লেখ কৰিছে যে শিৱই শক্তিৰ সহযোগতহে সৃষ্টিকাৰ্যৰ বাবে সক্ষম হয়, অন্যথা শিৱ শৱসদৃশ।[১৪] আগমে পুৰুষ-প্ৰকৃতিৰ অভিন্ন সত্তাৰ বৰকৈ প্ৰশংসা কৰিছে। তন্ত্ৰৰ মতে মানৱ দেহ বিশ্ব চৰাচৰৰেই ক্ষুদ্ৰ সংস্কৰণ, যি অসংখ্য নাড়ী, ছয়চক্ৰ আদিৰ সমষ্টিৰে গঠিত। তন্ত্ৰত এই চক্ৰ সমূহক পদ্ম বোলা হৈছে। এই ছয় ব্ৰহ্মাই অবস্থান কৰি আছে আৰু এই লিংগকে আবৃত কৰি শক্তিয়ে কুণ্ডলীকৃত সৰ্পৰ দৰে জীৱদেহ ৰক্ষা কৰি আছে।

শিৱ, লিংগ, বায়ু, স্কন্দ, মৎস্য, কূৰ্ম, ভৱিষ্য, ব্ৰহ্মাণ্ড আৰু মাৰ্কেণ্ডয়— ইত্যাদি সকলোবোৰ শৈৱ ধৰ্মীয় পুৰাণতে শিৱৰ লিংগ উপাসনাৰ গুণাগুণ বৰ্ণনা কৰিছে। বামন পুৰাণ আৰু অন্যান্য তান্ত্ৰিক গ্ৰন্থত চতুৰ্জাতিৰ কাৰণে লিংগ উপাসনাৰ স্বীকৃতি দিয়া হৈছে। ‘স্মৃতিৰত্ন’ত গাখীৰ, দৈ, মাখন আদিৰে লিংগ ধৌত কৰাৰ গুণ বখানিছে।[১৫] বৰাহমিহিৰৰ ‘বৃহৎ সংহিতা’ত উপাসনা কৰিবলগীয়া লিংগৰ আকৃতি-প্ৰকৃতি সম্পৰ্কে উল্লেখ পোৱা যায়।

লিংগ পুৰাণত (অধ্যায় ১৮-২০) ব্ৰহ্মা আৰু বিষ্ণু উভয়ৰে মাজত নিজৰ শ্ৰেষ্ঠতা সম্পৰ্কে যুক্তি-তৰ্কৰ অৱতাৰণা কৰা দেখা যায়। এনে সময়ত উভয়ৰে মাজত এটি জ্যোতিলিংগৰ আবিৰ্ভাৱ হয়। অসীমলৈ ব্যাপ্ত এই স্ব-প্ৰকাশ জ্যোতিত দুয়ো আচৰিত হয় আৰু নিজৰ শ্ৰেষ্ঠতা প্ৰমাণৰ বাবে উভয়ে চেষ্টা কৰে। সেই উদ্দেশ্যে জ্যোতিলিংগৰ আদি-অন্ত নিৰূপণৰ বাবে ব্ৰহ্মাই ওপৰলৈ আৰু বিষ্ণুৱে তললৈ পৰিভ্ৰমণ কৰিলে যদিও এই কাৰ্যত এজনেও সফলতা লাভ কৰিব নোৱাৰিলে। একে কাহিনীকে কিছু পৰিৱৰ্তিত ৰূপত বায়ুপুৰাণ, মৎস্যপুৰাণ, মাৰ্কণ্ডেয় পুৰাণ, কূৰ্মপুৰাণ আদিত বিবৃত হৈছে। দাৰ্শনিকভাৱে এই জ্যোতিলিংগ পৃথিৱী আৰু আকাশৰ সংযোজক, নাইবা বিশ্বৰ পৰম সত্তা। মহাভাৰতৰ সপ্তিক পৰ্বত শিৱই অশ্বত্থামাৰ আগত জ্বলন্ত শিখাৰ সৈতে আবিৰ্ভাৱ হোৱাৰ উল্লেখ পোৱা যায়। শিৱ[১৬] আৰু স্কন্দ[১৭] পুৰাণত বাৰটি জ্যোতিলিংগৰ উল্লেখ পোৱা যায়। অৱশ্যে, এইকেইটি লিংগৰ সৈতে যৌন শক্তিৰ কোনো সম্পৰ্ক নাই আৰু ইয়াৰ পৱিত্ৰতা সৰ্বজনবিদিত।

মহাভাৰতৰ সভাপৰ্বত শিৱভক্ত, বাণাসুৰৰ উল্লেখ পোৱা যায়। কালিকা পুৰাণৰ বৰ্ণনাৰ পৰা জনা যায় যে নৰকাসুৰে প্ৰাগজ্যোতিষত ৰাজত্ব কৰাৰ বহু আগৰে পৰাই এই দেশ শিৱৰ নিজা লীলাভূমি আছিল।

*‘স চ দেশঃ ৰাজ্যাৰ্থে পূৰ্ব্বং গুপ্তশ্চ শম্ভুনা।’*[১৮]

সেই সময়ত এই দেশত পূৰ্বৰে পৰা বসবাস কৰি থকা শিৱৰ ভক্ত কিৰাতসকলক বিষ্ণুৱে শিৱক অনুমতি সাপেক্ষে কামৰূপৰ মধ্যভাগৰ পৰা আঁতৰাই পূবে ললিতাকান্তাক সীমা কৰি পূব সাগৰৰ পাৰত বহুৱায়।

*‘এবমুক্তা স্বয়ং বিষ্ণুঃ শম্ভোৰণুমতেঃ তদা।*
*সৰ্বান্ কিৰাতান পূৰ্বস্যাং সাগৰান্তে নাবেশয়েৎ।।’*[১৯]

অৱশ্যে নৰকাসুৰৰ ৰাজ পৃষ্ঠপোষকতা নাপালেও সেই সময়ত প্ৰাগজ্যোতিষত গুপ্ত ৰূপত শিৱৰ আৰাধনা চলি আছিল :

*নৈৱাৰাধ্যস্তথাশম্ভুৰন্তৰ্গুপ্ত স মে পুৰে।*[২০]

প্ৰাগজ্যোতিষৰ ৰজা ভগদত্ত আৰু শোণিতপুৰ নৃপতি বাণৰজা শিৱ উপাসক আছিল বুলি জনা যায়। প্ৰাচীন অসমৰ তাম্ৰশাসনসমূহৰ মতে ভাস্কৰবৰ্মা, হৰ্জৰ বৰ্মা, বনমাল বৰ্মা, বল বৰ্মা আদি ৰজাসকলো শিৱভক্ত আছিল। কালিকা পুৰাণৰ মতে শিৱ কিৰাতসকলৰো প্ৰধান উপাস্য দেৱতা আছিল। প্ৰাক্-শংকৰী যুগত সমগ্ৰ অসমতে শৈৱ আদৰ্শ শক্তিশালী আৰু সৰ্বব্যাপ্ত আছিল। প্ৰচীন কামৰূপত সাধাৰণতে শিৱক লিংগৰূপত পূজা কৰা হৈছিল। শিৱলিংগৰ বাহিৰেও ঈশান বা ঈশানেশ্বৰ, মহেশ বা মহেশ্বৰ, লকুলীশ, নটৰাজ, ভৈৰৱ, উমা-মহেশ্বৰ আৰু হৰি-হৰ ইত্যাদি ৰূপত শিৱক পূজা কৰা হৈছিল।

সপ্তম শতিকাৰ ভাস্কৰ বৰ্মাৰ পৰা আৰম্ভ কৰি দ্বাদশ শতিকালৈকে প্ৰাচীন

কামৰূপত ৰাজত্ব কৰা প্ৰায়বোৰ ৰজাই আছিল শিৱভক্ত। অসমত অতি প্ৰাচীন কালৰে পৰাই থলুৱা ৰূপত শিৱক পূজা কৰা হৈছিল। বিশেষকৈ বড়ো-কছাৰীসকলে বাথৌ, সোণোৱাল-কছাৰীসকলে বুঢ়া-বুঢ়ী, দেউৰী-চুতীয়াসকলে কুণ্ডিমামা, বলিয়া বাবা ইত্যাদি বিবিধ নামেৰে নিজ নিজ লোকাচাৰ অনুযায়ী শিৱক পূজা কৰিছিল।

'চতুৰ্থ শতিকাৰ পৰা দ্বাদশ শতিকাৰ ভিতৰত শালস্তম্ভ আৰু ব্ৰহ্মপাল বংশৰ হিন্দু ৰজাসকলৰ মাজত শৈৱধৰ্মৰ প্ৰাধান্য প্ৰতিষ্ঠিত হোৱা যেন অনুমান হয়। তেওঁলোকৰ তাম্ৰশাসনবোৰত বিষ্ণু আৰু দেৱীৰ উল্লেখ বৰ বেছি নহয়। এই ৰজাসকলে নিজকে নৰক, ভগদত্ত আৰু ব্ৰজদত্তৰ বংশধৰ বুলি বৰ্ণনা দিছে। ফলিবোৰত ভগদত্ত আৰু ব্ৰজদত্তক শিৱভক্ত বুলি কোৱা হৈছে। ভাস্কৰবৰ্মাই তেওঁৰ আৰাধ্য শিৱ পিণাকপাণি, চন্দ্ৰলেখা কিৰীটিৰে শোভিত, ভস্মৰঞ্জিত আৰু সৌন্দৰ্যত কামদেৱতাতকৈয়ো অধিক বুলি উল্লেখ কৰিছে।

*'ও প্ৰণম্য দেৱং শশিশেখৰ (ং) প্ৰিয়ং পিণাকিনং*
*ভস্মকনৈৰ্বিভূষিতং'* [২১]

হৰ্জৰ বৰ্মা হাইয়ুংথল লিপিত আৰু তেওঁৰ পুত্ৰ বনমালৰ তামৰ ফলিতো শিৱ দেৱতাৰ প্ৰতি ভক্তিভাবৰ প্ৰকাশ ঘটিছে ঃ

*'স পুণাতু পিনাকীয়ো যচ্ছীৰ্ষে স্বধুনী জলম কীণং ৰেচক বাতেন তাৰকা প্ৰকৰায়িতং'* [২২] ইত্যাদি।

নৱম শতিকাৰ বনমালদেৱৰ ফলিত এইজনা ৰজাই হাটক শিৱৰ নটি-মন্দিৰ পুনৰ্নিৰ্মাণ কৰি মন্দিৰৰ নামত গাঁও, হাটী বেশ্যা দিয়াৰ সুন্দৰ বৰ্ণনা পোৱা যায়। একেখন ফলিতে ৰাজধানী হাৰুপেশ্বৰৰ কাষৰ কামকুট পৰ্বতত শ্ৰীকামেশ্বৰ আৰু মহাগৌৰীৰ থানৰ উল্লেখ আছে। বনমালাৰ শিৱভক্তিৰ প্ৰমাণ তেওঁৰ নাতি বলবৰ্মাৰ ফলিতো আছে। তাত কোৱা হৈছে, বৃদ্ধ বলবৰ্মাই পুতেকৰ কান্ধত ৰাজ্যভাৰ অৰ্পণ কৰি মহেশ্বৰৰ জ্যোতিত বিলীন হৈ গ'ল।

*'অনশন বিধিনা বীৰ স্তেজসি মহেশ্বৰে লীনঃ'।*

এই ফলিবোৰত শিৱক নানা বিশেষণেৰে বিভূষিত কৰা হৈছে। 'ইন্দ্ৰপাল ৰজাৰ গুৱাহাটী ফলিত গৌৰীয়ে শিৱক দ্যুত-ক্ৰীড়াত ঘটুৱা আৰু তেওঁৰ পৰশু, বৃষভ, অৰ্ধচন্দ্ৰ আদি সকলো পণত লাভ কৰা কাহিনী সৃষ্টি কৰা হৈছে। পাছত বস্তুবোৰ গৌৰীয়ে শিৱক ঘূৰাই দিলে, কিন্তু ক'লে তাৰ পৰিবৰ্তে তেওঁ যেন গংগাক জলবহা অৰ্থাৎ পানী যোগাতীৰূপে পায়।[২৩] ইন্দ্ৰপাল শিৱ আৰু গিৰিজা দুয়োৰে ভক্ত। ইন্দ্ৰপালৰ নাতি ধৰ্মপালৰ ফলিত শিৱৰ অৰ্ধনাৰীশ্বৰ ৰূপ অংকন কৰি প্ৰণাম জনোৱা হৈছে।[২৪]

প্ৰাক-আহোম যুগৰ কেইবাটাও মন্দিৰৰ ভগ্নাৱশেষ অসমৰ বিভিন্ন ঠাইত আৱিষ্কৃত হৈছে আৰু এই মন্দিৰৰ স্থাপত্যৰ নিদৰ্শনৰ পৰা মন্দিৰসমূহ-শিৱমন্দিৰ ৰূপেই চিহ্নিত কৰা হৈছে। তেজপুৰৰ দ' পৰ্বতীয়াত পোৱা শিৱ মন্দিৰৰ ধ্বংসাৱশেষবোৰ গুপ্তযুগৰ শেষৰফালৰ স্থাপত্যৰ নিদৰ্শন বুলি অনুমান কৰা হৈছে। সেইদৰে ধনুখনা পৰ্বত আৰু তেজপুৰৰ অন্যান্য ঠাইত কেইবাটাও মন্দিৰৰ ধ্বংসাৱশেষ আৱিষ্কৃত হৈছে। তেজপুৰৰ বিশ্বনাথ মন্দিৰ আৰু গোলাঘাটৰ নেঘেৰিটিঙৰ শিৱ মন্দিৰো প্ৰাক-আহোম যুগৰ।

পুৰণি কমতা ৰাজ্যত ৰাজত্ব কৰা কোচ ৰাজবংশৰ ৰজাসকলো শৈৱধৰ্মী আছিল আৰু তেওঁলোকে জনজাতীয়-আচাৰেৰে শিৱ-পূজা কৰিছিল যেন লাগে। 'দৰং ৰাজবংশাৱলী'ত কোচ ৰজাসকলৰ ৰাজত্বকালত শৈৱধৰ্ম ব্ৰাহ্মণ্য পদ্ধতি আৰু জনজাতীয় পদ্ধতি— উভয় পদ্ধতিৰে শিৱপূজা অনুষ্ঠিত হোৱাৰ আভাস পোৱা যায়। উক্ত গ্ৰন্থৰ বৰ্ণনা মতে মহাৰাজ নৰনাৰায়ণে আহোম ৰাজ্য আক্ৰমণ কৰাৰ সময়ত হিন্দু ৰীতিমতে শিৱক পূজা কৰাত শিৱ অসন্তুষ্ট হৈ যুদ্ধ-অভিযানৰ প্ৰথম নিশাতে তেওঁক সপোনত দেখা দি কছাৰীৰ ৰীতি অনুসৰি পূজা কৰিবলৈ নিৰ্দেশ দিয়ে [২৫] আৰু ৰজাই সোণকোষ নৈৰ পাৰৰ গাৰিথানত কছাৰীৰ ৰীতি মতে শিৱ পূজাৰ আয়োজন কৰে।[২৬] গতিকে দেখা যায় যে কোচ-কছাৰীসকলৰ পূজা-পদ্ধতি কৈৰাতজ ধৰ্ম অনুসৰি নৃত্য-গীত, দেওধাই আদিৰ সমন্বয়ত সম্পাদিত হৈছিল। কালিকা পুৰাণত বৰ্ণিত বিতাড়িত কিৰাতসকলৰ মাজতো অনুৰূপ আচাৰ আৰু পূজাবিধি প্ৰচলিত আছিল। সেইবাবেই কৈৰাতিক আচাৰ আৰু ব্ৰাহ্মণ্য আচাৰ নীতিৰে কৰা পূজা উভয়কে স্বীকৃতি প্ৰদান কৰি মহাৰাজ নৰনাৰায়ণে গোঁহাইকমল আলিৰ উত্তৰ দিশত বসবাস কৰা কছাৰীসকলক জনজাতীয় ৰীতি অনুসৰি পূজা কৰিবলৈ আৰু উক্ত আলিৰে দক্ষিণ দিশত থকা মন্দিৰসমূহত ব্ৰাহ্মণ্য আচাৰেৰে পূজা কৰিবলৈ নিৰ্দেশ দিছিল।[২৭]

ব্ৰাহ্মণ্য আচাৰেৰে পূজা কৰা শিৱমন্দিৰসমূহত প্ৰচলিত ৰীতিসমূহৰ ভিতৰত দেওঘৰৰ নটীৰ নাচ আৰু শিৱ-চতুৰ্দশীৰ দিনা মন্দিৰৰ প্ৰাংগণত ডিঙি মুছৰি পঠা ছাগলী বলি দিয়াৰ প্ৰথা প্ৰচলিত আছিল। আনহাতে কছাৰী পূজা পদ্ধতিত মদ-মাংস খোৱা আৰু নৈবেদ্য দিয়াৰ লগতে নৃত্য-গীত, দেওধা তোলা আদি প্ৰথাৰ প্ৰচলন আছিল।

'কালিকা পুৰাণ' আৰু যোগিনীতন্ত্ৰত শিৱৰ সাধাৰণ ৰূপতকৈও ভৈৰৱ ৰূপৰ প্ৰাধান্য অধিক আৰু সেয়েহে তেওঁৰ বামাচাৰ পূজাহে অধিক প্ৰচলিত। চৰিতপুথিসমূহত, বিশেষকৈ ৰামানন্দ দ্বিজৰ শংকৰ চৰিতত পুৰণি কামৰূপত

ভৈৰৱ পূজাৰ প্ৰাধান্যৰ উল্লেখ পোৱা যায়। 'অসম বুৰঞ্জী'তো শিৱৰ ভৈৰৱ ৰূপৰ উল্লেখ কৰা হৈছে।

অতি পুৰণি কালৰে পৰাই অসমৰ প্ৰায়বোৰ শিৱ মন্দিৰত দেৱদাসী নৃত্যৰ প্ৰচলন আছিল। শিৱ নটৰাজ আৰু তেওঁ নৃত্য-গীত আৰু সংগীতৰ গুৰু। দেৱদাসীসকলে শিৱক সন্তুষ্ট কৰাৰ মানসেৰে সুন্দৰ ধ্ৰুপদী ভংগিমা প্ৰদৰ্শনেৰে শিৱৰ ওচৰত নৃত্যৰ নৈবেদ্য আগবঢ়ায়। অসমৰ ঐহিত্যমণ্ডিত শিৱমন্দিৰ যেনে নেঘেৰীটিং শিৱমন্দিৰ, বিশ্বনাথ শিৱমন্দিৰ, হাজোৰ ওচৰৰ শিৱমন্দিৰ, ডুবিৰ পৰিহৰেশ্বৰ দেৱালয়, বেজেৰাৰ পিংগলেশ্বৰ মন্দিৰ, বংশৰৰ ভৃংগেশ্বৰ মন্দিৰ, গুৱাহাটীৰ উমানন্দ, শুক্ৰেশ্বৰ, বশিষ্ঠাশ্ৰম আদিত অতীজৰে পৰাই নৃত্য-গীতৰ মাধ্যমেৰে শিৱক সন্তুষ্ট কৰাৰ প্ৰয়াস কৰা হৈছিল।

আহোম ৰজাসকলৰ ভিতৰত চুডাংফা বা বামুণী কোঁৱৰেই প্ৰথমে হিন্দুধৰ্ম গ্ৰহণ কৰে। তেওঁৰ পৰৱৰ্তী ৰজা চুচেংফা বা প্ৰতাপসিংহই হিন্দুধৰ্ম গ্ৰহণ কৰি শিৱমন্দিৰ প্ৰতিষ্ঠা আৰু শিৱ পূজাত মনোনিৱেশ কৰে। দেৰগাঁও আৰু বিশ্বনাথৰ শিৱ দ'ল নিৰ্মাণ কৰাই তেওঁ ব্ৰহ্মোত্তৰ আৰু দেৱোত্তৰ মাটি দান দিয়ে। আন এগৰাকী আহোম ৰজা গদাধৰ সিংহই ব্ৰহ্মপুত্ৰৰ মাজত উমানন্দ মন্দিৰ নিৰ্মাণ কৰাৰ লগতে বিশ্বনাথ মন্দিৰো নিৰ্মাণ কৰি তাম্ৰফলি প্ৰদান কৰে। গদাধৰ সিংহৰ পুত্ৰ ৰুদ্ৰসিংহও শিৱৰ পৰম ভক্ত আছিল। ৰুদ্ৰসিংহ আৰু শিৱসিংহই অসমত হিন্দুধৰ্ম প্ৰচাৰৰ কাৰণে অশেষ চেষ্টা কৰিছিল। শিৱসিংহৰ দিনত ভালেমান শিৱমন্দিৰ নিৰ্মাণ কৰা হৈছিল। আহোম ৰজা প্ৰমত্তসিংহয়ো নিজকে হৰ-গৌৰীৰ সেৱক হিচাপে পৰিচয় দি গৈছে। হিন্দু ধৰ্মৰ আন এগৰাকী প্ৰধান পৃষ্ঠপোষক ৰাজেশ্বৰ সিংহই নিজকে 'হৰিচৰণ চাৰণ', 'মহেশ্বৰ চৰণ কিংকৰ', 'মহেশ্বৰ চৰণ ছায়ানুসৰণ পৰায়ণ' ইত্যাদি বিশেষণেৰে বিভূষিত কৰিছে। গতিকে দেখা যায় যে প্ৰাগ ঐতিহাসিক যুগৰে পৰা আৰম্ভ কৰি বৰ্মন ৰাজবংশ, শালস্তম্ভ ৰাজবংশ, পাল ৰাজবংশ, আহোম আৰু কোচ ৰাজবংশৰ ৰাজত্বকালত শিৱপূজা আৰু শিৱ উপাসনাই প্ৰাধান্য লাভ কৰি আহিছে। অসমত বসবাস কৰা অন্যান্য জনজাতীয় মূলৰ লোকসকলেও বিভিন্ন নাম আৰু ৰূপত নিজস্ব লোকাচাৰ অনুসৰি শিৱৰ উপাসনা কৰা দেখা যায়। পুৰণি অসমীয়া সাহিত্যত বিশেষকৈ লোক-সাহিত্যত শিৱৰ লোক ৰূপটো অতি আকৰ্ষণীয়ভাৱে ফুটাই তোলা হৈছে। শিৱ বৈদিক আৰু পৌৰাণিক ৰূপৰ বিপৰীতে এই লোক ৰূপটো লোক কবিৰ কল্পনাত অতি মোহনীয় আৰু চিত্তাকৰ্ষক ৰূপত প্ৰতিভাত হৈ উঠিছে।